**63/1 (SEM-5) CC-11/ASMHC5116**

**2022**

( Held in 2023 )

ASSAMESE

Paper : ASMHC5116

**( Study on General Linguistics )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) তলৰ কোনখন ঐতিহাসিক ভাষাবিজ্ঞান বিষয়ক গ্ৰন্থ ?

*(i)* *A Descriptive Analysis of the Bodo Language*

*(ii)* *A Comparative Grammar of Dravidian*

*(iii)* *Assamese : Its Formation and Development*

*(iv)* *The Structural Analysis of the Maitai Language*

(খ) কোনটো উপভাষা সৃষ্টিৰ কাৰণ নহয় ?

(i) ৰাজনৈতিকভাৱে দুটা অঞ্চলৰ মাজত অহা-যোৱা হৈ নাথাকিলে

(ii) সাংস্কৃতিকভাৱে দুটা অঞ্চলৰ মাজত অহা-যোৱা হৈ নাথাকিলে

(iii) ভৌগোলিকভাৱে দুটা অঞ্চলৰ মাজত অহা-যোৱা হৈ নাথাকিলে

(iv) দুটা অঞ্চলৰ মাজত সঘন অহা-যোৱা হৈ থাকিলে

(গ) উচ্চাৰণ-কৰণ (Articulator)ৰ বাগিন্দ্ৰিয় হ'ল

(i) ঘটিকা

(ii) আলজিভা

(iii) জিভা

(iv) উপজিভা

(ঘ) ৰূপতত্ত্বৰ প্ৰাথমিক একক হ'ল

(i) ধ্বনি

(ii) শব্দ

(iii) প্ৰাকৃতি

(iv) প্ৰত্যয়

(ঙ) তলৰ কোনটো অৰ্থসংকোচনৰ উদাহৰণ ?

(i) প্ৰবীণ

(ii) লক্ষ্মী

(iii) অন্ন

(iv) পাষণ্ড





(চ) "মই ৰুটি খাওঁ আৰু সি ভাত খায়।" বাক্যটো হ'ল

(i) মিশ্ৰ বাক্য

(ii) যৌগিক বাক্য

(iii) সৰল বাক্য

(iv) ভাৱবোধক বাক্য

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ মাজত থকা যি কোনো দুটা পাৰ্থক্য লিখা।

(খ) অসমীয়া ভাষাত নাসিক্য ব্যঞ্জনবৰ্ণ কেইটা আৰু কি কি পোৱা যায় ?

(গ) অসমীয়া ভাষাত মধ্য প্ৰত্যয় আছেনে, চমুকৈ লিখা।

(ঘ) ইংৰাজী 'Syntax' শব্দটো কোন ভাষাৰ, কি শব্দৰ পৰা ওলাইছে ?

(ঙ) 'Isogloss'ৰ প্ৰয়োগ পোনপ্ৰথমে কোনজন উপভাষা-বিজ্ঞানীয়ে, কিমান চনত কৰিছিল ?

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত থকা পাৰ্থক্যবোৰ আলোচনা কৰা।

(খ) ধ্বনিবিজ্ঞানৰ শাখাবোৰৰ বিষয়ে আলোচনা কৰা।

(গ) অৰ্থ পৰিৱৰ্তনৰ ধাৰাবোৰৰ বিষয়ে আলোচনা কৰা।

(ঘ) ব্যাকৰণত লিঙ্গ বুলিলে কি বুজা যায়? অসমীয়া ভাষাত লিঙ্গভেদ বুজাবলৈ কি কি উপায় অৱলম্বন কৰা হয়, আলোচনা কৰা। ২+৩=৫

(ঙ) উদাহৰণসহ উচ্চাৰণ-কৰণ আৰু উচ্চাৰণ-স্থানৰ বিষয়ে আলোচনা কৰা।

(চ) উপভাষাৰ সীমা নিৰ্ধাৰণ কিদৰে কৰা হয়, চমুকৈ আলোচনা কৰা।

(ছ) উপভাষা অধ্যয়নত সমাজ ভাষাবিজ্ঞানৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(জ) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি (IPA)ৰ বিষয়ে আলোচনা কৰা।

(ঝ) ব্যাকৰণগত বিষয় (Grammaticalness) বুলিলে কি বুজা? অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় সম্পৰ্কে আলোচনা কৰা। ২+৩=৫

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) ভাষা অধ্যয়নৰ বিষয় আৰু পদ্ধতিৰ প্ৰকৃতিলৈ লক্ষ্য কৰি ভাষাবিজ্ঞানক প্ৰধানকৈ কেইটা আৰু কি কি ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে আলোচনা আগবঢ়োৱা। ৫+৫=১০

(খ) আধুনিক ভাষাবিজ্ঞানত বাক্যৰ গঠনত আকাংক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব সম্পৰ্কে খৰচি মাৰি আলোচনা কৰা। ১০

(গ) উপভাষাবিজ্ঞান বুলিলে কি বুজা? উপভাষা সৃষ্টিৰ বিভিন্ন কাৰকবোৰৰ বিষয়ে আলোচনা কৰা। ৫+৫=১০



*(Continued)*



৫। শব্দাৰ্থ পৰিৱৰ্তনৰ কাৰণবোৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা। ১৪

*নাইবা*

বাক্য কাক বোলে? গঠন-পদ্ধতিৰ পিনৰ পৰা বাক্যক কেই ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে বিশদভাৱে আলোচনা কৰা। ২+২+১০=১৪

★★★